**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি বিয়লি ৩ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰিব। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট ৰাণা প্ৰতাপ কলিতালৈ আগবঢ়োৱা হৈছে অসম বৈভৱ সন্মান। সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনচালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ এছ্ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ বাপ্পি পাল, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ পূৰবী শইকীয়ালৈ  অসম সৌৰভ সন্মান আগবঢ়োৱা হৈছে। আনহাতে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানক অসম গৌৰৱ সন্মানৰ বাবে বাছনি কৰা হৈছে। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু। ০০০০০০০

০০০০০০

পৰম্পৰাগত অসমীয়া গহণাই ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ভৌগোলিক সূচক পঞ্জীয়কে কালি ৰত্ন আৰু গহণা উন্নয়ন পৰিষদ, অসমলৈ এই ভৌগোলিক সূচকৰ স্বত্ত্ব প্ৰদান কৰে। ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্বাৱধানত চলোৱা প্ৰচেষ্টাৰ ফলস্বৰূপে এই সূচক ৰাজ্যখনে লাভ কৰিছে। গহণা প্ৰস্তুতিৰ পদ্ধতিৰ ভিত্তিত পৰম্পৰাগত অসমীয়া গহণাৰ তিনিটা প্ৰকাৰক টাইপ-এ, টাইপ-বি আৰু টাইপ-চিৰ স্বীকৃতি দিয়া হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া গহণাই এই স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰে। এটা বাৰ্তাত তেওঁ অসমৰ ঐতিহ্য সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত অসমীয়া গহণালৈ এই স্বীকৃতিৰ বাবে এই উদ্যোগৰ সৈতে জড়িতসকলৰ লগতে সমূহ অসমবাসীলৈ অভিনন্দন জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়া গহণাই জি আই টেগ লাভ কৰাৰ বাবে সন্তোষ প্ৰকাশ কৰিছে। এই অভিনৱ স্বীকৃতিয়ে ৰাজ্যখনৰ পৰম্পৰাগত শিল্পকলাক অধিক প্ৰসাৰিত কৰি ইয়াৰ বিশেষত্বক সুৰক্ষিত কৰাৰ লগতে গহণাৰ সৈতে জড়িত কাৰুশিল্পীসকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ২০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক **আৰোহণ** আঁচনিৰ অধীনত টেবলেট বিতৰণ কৰে। জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক টেবলেটসমূহ সদব্যৱহাৰ কৰি শৈক্ষিক আৰু বৌদ্ধিক উৎকৰ্ষণৰ ক্ষেত্ৰত আগবাঢ়িবলৈ পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে জিলাখনৰ এইবাৰ ১৬২ গৰাকী শিক্ষাৰ্থীয়ে আৰোহণ আঁচনিৰ অধীনত টেবলেট লাভ কৰিছে।

০০০০০০

যোৰহাটৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাখনত পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলা উন্নয়ন আয়ুক্ত, সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ ১১ খন জিলাৰ ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত কালি মিছিং ভাষাত পাঠদান আৰম্ভ হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি ধেমাজিৰ ৰায়চাপৰি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মিছিং সাহিত্য সভাই এই ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। উল্লেখযোগ্য যে চৰকাৰে মিছিং, তিৱা, দেউৰী, ৰাভা, ডিমাছা আৰু কাৰ্বিকে ধৰি ছটা জনগোষ্ঠীয় ভাষাত প্ৰাথমিক পৰ্যায়ত পাঠদানৰ সিদ্ধান্ত লৈছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ এই পদক্ষেপৰ ফলত সকলো স্থানীয় ভাষা উজ্জীৱিত হ'ব বুলি আশা ব্যক্ত কৰে।

০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে কালি অনুষ্ঠিত ভোটগ্ৰহণৰ কাইলৈ ভোটগণনা কৰা হ'ব। বিয়লি ৩ বজালৈ পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাত ৬৭ দশমিক ৫-৫ শতাংশ আৰু গোৱালপাৰা জিলাত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ দৰিদুৰি সমষ্টিত সৰ্বাধিক ৮০ দশমিক ৩-৫ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। কামৰূপ জিলাৰ জৰিহাট সমষ্টিত সৰ্বনিম্ন ৫৭ দশমিক ৬-২ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০

গুজৰাট টাইটানছে যোৱানিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৮ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ১৭০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৬৯ ৰান কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত